**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰগতিত অব্যাহত আছে। এই উপলক্ষে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। নেতাগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ নিৰ্বাচনী ভ্ৰমণসূচীৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দিষ্ট পথক লৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই পথসমূহ ড্ৰোন উৰণ আৰু আটচবাজী নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত সুমিত চত্তাৱানে এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা জালুকবাৰী, মালিগাওঁ, চাইকেল ফেক্টৰী তিনিআলি হৈ লালগণেশ পৰ্যন্ত পথছোৱাত এই নিৰ্দেশনা বাহাল থাকিব।

আনহাতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। নিৰ্বাচনী জনসভাত সমবেতসকলক সম্বোধন কৰি ডঃ শৰ্মাই কয় যে, বিজেপি আৰু ইউ পি পি এলৰ সন্মিলিত প্ৰচেষ্টাত বিটিআৰত শান্তিৰ পৰিবেশ বিৰাজ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উন্নয়ন সম্ভৱপৰ হৈছে বুলিও ডঃ শৰ্মাই দাবী কৰে। বাওখুংগ্ৰী আৰু পাৰ্বতীঝোৰাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰ তথা ৰাজ্যত বিজেপি নেতৃত্বাধীন দ্বৈত ইঞ্জিন চৰকাৰৰ মহিলা সৱলীকৰণৰ ফলপ্ৰসূ আঁচনিসমূহৰ দ্বাৰা অসমৰ নাৰী শক্তি উদ্বুদ্ধ হৈছে বুলি দাবী কৰে। ডঃ শৰ্মাই সমবেতসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ আহ্বান জনায়।

ইফালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি বশিষ্ঠ, বতাহঘুলি, পাঞ্জাবাৰী, সোণাপুৰ, দক্ষিণগাঁও আৰু কাহিলিপাৰাকে ধৰি মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাৰ উপস্থিতিত শ্ৰীমেধিয়ে বশিষ্ঠৰ পাটৰকুচিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি নিৰ্বাচনত জয়লাভ কৰিলে বিজেপি চৰকাৰৰ তত্বাৱধানত উন্নয়নমূলক আঁচনিসমূহৰ কাম সুচাৰুৰূপে চলাই নিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিয়লিৰ ভাগত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু, যোগেন মহন, অজন্তা নেওগ আৰু বিমল বৰাই মহানগৰীৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়।

ইফালে গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়েও আজি গুৱাহাটীৰ সমীপৱৰ্তী ৰাণীত নিৰ্বাচনী প্ৰচাৰ চলায়। এই প্ৰচাৰ অভিযানত শাসকপক্ষক সমালোচনা কৰি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে জনসাধাৰণক বিবেক ভোট দিবলৈ আহ্বান জনায়।

বৰপেটাত এছ ইউ চি আইৰ প্ৰাৰ্থী ডাঃ চিত্ৰলেখা দাসে নিৰ্বাচনী প্ৰচাৰ অভিযানত সৰু পথ সভাৰে ভোটাৰৰ মনোযোগ আকৰ্ষণৰ চেষ্টা কৰে। সমাজ পৰিৱৰ্তন আৰু শ্ৰমজীৱী মানুহৰ অভাৱ-অভিযোগ তথা সমস্যাৰ হকে মাত মতাৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী যুঁজত নমা প্ৰাৰ্থীগৰাকীয়ে শাসকপক্ষক সমালোচনা কৰে।

০০০০০০০

উজনি অসমৰ বিভিন্ন ঠাইত যোৱা নিশা আৰু আজি পুৱাৰ ভাগত অহা প্ৰচণ্ড ধুমুহাই বিস্তৰ ক্ষয়-ক্ষতি কৰে। শিৱসাগৰৰ মগৰাঘাটত আজি পুৱাতে অহা ধুমুহাৰ ফলত ডেৰ শতাধিক পৰিয়ালৰ বাসগৃহৰ ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। জিলাখনৰ মগৰাঘাট, গায়নগাঁও, দোলাকাষৰীয়া, চাংমাইকে ধৰি ১০ খন গাঁৱত ধুমুহাৰ ফলত ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহাত গছ উভালি পৰি বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি যোৱাৰ ফলত ঠায়ে ঠায়ে

বিদ্যুৎ যোগান ব্যাহত হোৱাৰ উপৰি কোনো কোনো ঠাইত পথ যোগাযোগো সাময়িকভাৱে ব্যাহত হয়। ইপিনে, নগাঁও জিলাৰ কলিয়াবৰত শিল বৰষুণ আৰু ধুমুহাই জনসাধাৰণৰ ক্ষতি কৰা বুলি জানিব পৰা গৈছে। কলিয়াবৰৰ বামুণী আৰু শাকমুঠীয়া চাহ বাগিচা অঞ্চলত ভালেমান পৰিয়ালৰ ঘৰৰ চাল শিল বৰষুণত ফুটি যোৱাৰ লগত বাসগৃহৰ অন্যান্য অংশৰ ক্ষতি হৈছে। চৰাইদেউ জিলাৰ বিভিন্ন ঠাইত যোৱানিশা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত গছ উভালি পৰাৰ লগতে বিদ্যুতৰ খুটা ভাগি পৰে। জিলাখনৰ সোণাৰি আৰু সাপেখাটি ৰাজহ চক্ৰৰ অধীনৰ প্ৰায় ১০ হাজাৰ লোকৰ বাসগৃহৰ ধুমুহাৰ ফলত ক্ষতি হয় বুলি বাতৰি পোৱা গৈছে। ইপিনে, সাপেখাটী, শালকাঠনি চাহ বাগিচাত সাৱিত্ৰী শৰ্মা নামৰ এগৰাকী মহিলাৰ ধুমুহাত আঘাতপ্ৰাপ্ত হোৱাৰ ফলত মৃত্যু হয়। গোলাঘাট জিলাত আজি ধুমুহাৰ ফলত গোলাঘাট, ফৰকাটিং, মৰঙী আদি অঞ্চলত ক্ষতি হয়। ধুমুহাই বাসগৃহৰ অনিষ্ট কৰাৰ লগতে গছ-গছনি উভালি পেলোৱা বুলি জানিব পৰা গৈছে।

০০০০০০০০

মণিপুৰৰ আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ বাবে ৬ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভাৰতীয় নিৰ্বাচন আয়োগে আজি এই সন্দৰ্ভত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। পৰহিলৈ অৰ্থাৎ অহা ৩০ এপ্ৰিলত পুৱা ৭ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ কেন্দ্ৰকেইটাত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে যোৱা ২৬ এপ্ৰিলত এই ৬টা ভোটগ্ৰহণ কেন্দ্ৰত সংঘটিত ব্যাপক খেলিমেলিৰ বাবে নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া বাতিল কৰিছিল। ৰাজ্যখনৰ উখৰুল জিলাৰ ৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু সেনাপতি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**